

অসম আদিত্য

# ৰিডাৰ্ছ ক্লাবৰ উদ্যোগত মননশীল অনুষ্ঠান

ডিব্ৰুগড়, ১ অক্টোবৰ ঃ ডিব্ৰু মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ ৰিডাৰ্ছ ক্লাবৰ উদ্যোগত আজি এক মননশীল বৈঠক অনুষ্ঠিত হৈ যায়। গ্ৰন্থৰ প্ৰতি পঢ়ুৱৈৰ আকৰ্ষণ আৰু অনুসন্ধিৎসা বঢ়োৱাৰ উদ্দেশ্য আগত ৰাখি ২০১৭ চনৰ পৰা নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰখা ৰিডাৰ্ছ ক্লাবৰ অষ্টাদশ সংখ্যক বৈঠকখন ছাত্ৰী সীমাশ্ৰী চুতীয়াৰ এটা গীতেৰে আৰম্ভ হয়। ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে উদ্বোধনী ভাষণ প্ৰদান কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰন্থাগাৰিক দীপিকা দাসে। 'কাহিনী আৰু লোককথাৰ আলমত অসমীয়া ৰামায়ণী সাহিত্য' শীৰ্ষক এক তত্ত্বগধুৰ ভাষণ আগবঢ়ায় শিশু সাহিত্যিক, ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন উপাধ্যক্ষ তথা আজিৰ অনুষ্ঠানৰ সমল ব্যক্তি মধুমিতা গোস্বামী বৰঠাকুৰে। তেখেতে ভাষণত কয় বাল্মিকীৰ ৰামায়নৰ লগত মাধৱ কন্দলীৰ ৰামায়ণৰ মাজত সময়ৰ যথেষ্ট ব্যৱধান আছে। সেয়ে তুলনামূলকভাৱে চৰিত্ৰ চিত্ৰণত কন্দলীয়ে সীতাৰ চৰিত্ৰটোত আধুনিকতাৰ সাঁচ পৰিছে। অধ্যাপক মনোজ কুমাৰ শৰ্মাই কয় যে অপ্ৰমাদী কবি মাধৱ কন্দলীৰ ৰামায়ণখন অসমৰ প্ৰকৃতিৰ কোলাত ৰচা এখন অনন্য সুন্দৰ অসমীয়া ৰামায়ণ। উপাধ্যক্ষ চন্দনা গগৈয়ে তেখেতৰ ভাষণত ৰিডাৰ্ছ ক্লাবৰ গ্ৰন্থ জনমুখী কৰা প্ৰচেষ্টাক শলাগ লয়। ৰিডাৰ্ছ ক্লাবৰ সভানেত্ৰী নন্দিতা বৈশ্যই সভাপতিত্ব কৰা সভাখনত শলাগৰ শৰাই আগবঢ়ায় গ্ৰন্থাগাৰিক দীপিকা দাসে।